**<u>সামগ্ৰিক চাহিদা কি ? সামগ্ৰিক চাহিদাৰ উপাদান সমূহ কি কি ?  চমুকৈ ব্যাখ্যা কৰা ।</u>**

অৰ্থনীতি এখনত চুড়ান্ত দ্ৰব্য আৰু সেৱাৰ প্ৰতি থকা মুঠ চাহিদাক সামগ্ৰিক চাহিদা বোলে ।
সামগ্ৰিক চাহিদাৰ মূখ্য উপাদান সমূহ হ'লঃ
**(১)** ব্যক্তিগত উপভোগ চাহিদা ।
**(২)** ব্যক্তিগত বিনিয়োগ চাহিদা ।
**(৩)** দ্ৰব্য আৰু সেৱাৰ প্ৰতি চৰকাৰী চাহিদা ।
**(৪)** নিগুট ৰপ্তানি চাহিদা (X-M)

**<u>(১) ব্যক্তিগত উপভোগ চাহিদাঃ</u>** ই ঘৰুৱা খণ্ডৰ ক্ৰয় কৰাৰ ক্ষমতা থকা আৰু ক্ৰয় কৰাৰ ইচ্ছা প্ৰকাশ কৰা দ্ৰব্য আৰু সেৱাৰ মানক বুজায় । যেনেঃ খাদ্য, বাসস্থান, চিকিৎসা, সেৱা ইত্যাদিৰ প্ৰতি কৰা চাহিদা ।

**<u>(২) ব্যক্তিগত বিনিয়োগ চাহিদাঃ</u>** যন্ত্ৰপাতি গৃহ আদিৰ দৰে নতুন মূলধনী সম্পতিৰ সৃষ্টি আৰু কেঁচামালৰ ওপৰত ব্যক্তিগত উদ্যোগীসকলৰ পৰিকল্পিত ব্যয়কে ব্যক্তিগত বিনিয়োগ চাহিদা বোলে ।

**<u>(৩) দ্ৰব্য আৰু সেৱাৰ প্ৰতি চৰকাৰী চাহিদাঃ</u>** দ্ৰব্য আৰু সেৱাৰ প্ৰতি চৰকাৰী চাহিদা বুলিলে সমাজৰ সাধাৰন অভাৱ পূৰণ কৰিবৰ কাৰণে উপভোগ্য আৰু মুলধনী দ্ৰব্যত চৰকাৰৰ পৰিকল্পিত ব্যয়কে বুজোৱা হয় । এই চৰকাৰে স্কুল, পৰিবহন, হাস্পাতাল, ৰাস্টাঘাট, শক্তি ইত্যাদিত কৰিবলৈ বিচৰা সৰচকে বুজায় ।

**<u>৪. নিগুট ৰপ্তানি চাহিদা (X-M):</u>** নিগুট ৰপ্তানি চাহিদা বুলিলে এখন দেশে বিদেশী দ্ৰব্য আৰু সেৱাৰ প্ৰতি কৰা চাহিদাৰ অতিৰিক্ত খিনিকে বুজায় । অৰ্থাৎ,
নিগুট ৰপ্তানী চাহিদা = ৰপ্তানী(X) – আমদানী(M)

**সামগ্ৰিক যোগান কি ? ইয়াৰ উপাদান সমুহ কি কি ?**

এক বিশেষ সময় কালত অৰ্থনীতি এখনত ক্ৰয়ৰ বাবে উপলব্ধ দ্ৰব্য আৰু সেৱাৰ মুঠ যোগানৰ মৌদ্ৰিক মূল্য বা মানেই হ'ল সামগ্ৰিক যোগান । ইয়াক অৰ্থনীতি এখনৰ মুঠ উপাদানত হোৱা মুঠ ব্যয় বুলিও ক'ব পাৰো । ই হ'ল দৰা চলতে জাতীয় আয় বা উপাদান মূলতে নিগুট জাতীয় উপাদান ।
সামগ্ৰিক যোগানৰ দুটা ঘাই উপাদান হ'লঃ
**(১)** উপভোগ ব্যয় (C)
**(২)** সঞ্চয় (S)
আয়ৰ এক বৃহৎ অংশ দ্ৰব্য আৰু সেৱাৰ উপভোগত ব্যয় কৰা হয় আৰু বাকী থকা অংশ সঞ্চয় কৰা হয় । সামগ্ৰিক যোগানক তলত দিয়াৰ দৰে প্ৰকাশ কৰা হ'য়ঃ
AS=C+S
অৰ্থাৎ,
সামগ্ৰিক যোগান = উপভোগ + সঞ্চয় ।

**উপভোগ ব্যয় কি ?**

অৰ্থনীতি এখনৰ সকলো ব্যক্তিয়ে ভোগকাৰ্যত কৰা ব্যয়ক ভোগ ব্যয় বোলে । এনে ব্যয় তেওঁলোকৰ আয়ৰ ওপৰৰ নিৰ্ভৰ কৰে । নিদিষ্ট আয়ত ভোগ ব্যয় বাঢ়িলে সঞ্চয় কমিব ।

**সম্ভাব্য (প্ৰত্যাশিত) আৰু প্ৰকৃত (শেহান্ত) কি ?**

উপভোগ, বিনিয়োগ, মুঠ উৎপাদন ইত্যাদি চলকবোৰৰ পৰিকল্পিত মানবোৰক সম্ভাব্য মান বা প্ৰত্যাশিত মান বুলি কোৱা হয় ।আনহাতে মুঠ ঘৰুৱা উৎপাদন, মুঠ জাতীয় উৎপাদন নিৰ্নয় কৰিবৰ বাবে উপভোগ, বিনিয়োগ ইত্যাদি যি মান ব্যৱহাৰ কৰা হয় সেয়া অৰ্থনীতিখনত কোনো বছৰৰ উপভোগ, বিনিয়োগ ইত্যাদিবোৰৰ প্ৰকৃত মান ।
কিন্তু প্ৰকৃত উপভোগ উপভোক্তাজনে সেই সময়কালত কৰিব বিচৰা উপভোগতকৈ পৃথক হব পাৰে । এনেদৰে উৎপাদনকাৰী এজনে তেওঁৰ দ্ৰব্যৰ মজুত যি পৰিমানে বৃদ্ধি কৰিবলৈ পৰিকল্পনা কৰিছিল ঠিক সেইমতে প্ৰকৃততে বৃদ্ধি নাপাবও পাৰে । অৰ্থাৎ প্ৰকৃত বিনিয়োগ আৰু পৰিকল্পিত বিনিয়োগ একে নহবও পাৰে ।

উদ্যাহৰণস্বৰূপে এজন উৎপাদনকাৰীয়ে বছৰৰ শেষত 1000 টকা মুল্যৰ দ্ৰব্য মজুত ৰাখিব বিচাৰিছে । কিন্তু অপ্ৰত্যাশিত ভাৱে তেওঁৰ দব্যটোৰ চাহিদা ইমান বৃদ্ধি হল যে তেওঁ মজুতৰ পৰাত্ত 300 টকা মূল্যৰ দ্ৰব্য বিক্ৰী কৰিহে চাহিদা পূৰাবলৈ সক্ষম হ'ল । গতিকে বছৰৰ শেহত তেওঁৰ মজুত বৃদ্ধি পালে 1000 - 300 = 700 টকা । ইয়াত 1000 টকা হ'ল সম্ভাব্য বিনিয়োগ আৰু 700 টকা হ'ল প্ৰকৃত বিনিয়োগ ।